**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date : 07**-07-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দ্বিপাক্ষিক সম্পৰ্ক অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে ইণ্ডোনেছিয়াত কেইবাখনো বৈঠকত অংশগ্ৰহণ কৰিব।

২। ভাৰতৰ চামৰা আৰু জোতা-চেণ্ডেল খণ্ডই বছৰি চাৰি দশমিক পাঁচ বিলিয়ন ডলাৰৰ সামগ্ৰী ৰপ্তানি কৰে বুলি কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেলে প্ৰকাশ কৰে।

৩। কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰ্যালয়ৰ উদ্যোগত কালি নতুন দিল্লীত বিশ্ব প্ৰাণীৰোগ দিৱস উপলক্ষে এখন ৰাষ্ট্ৰীয় বহু অংশীদাৰিত্ব পৰামৰ্শ অনুষ্ঠানৰ আয়োজন কৰা হয়।

৪। ১৭ সংখ্যক ৰাষ্ট্ৰীয় যুৱ সংসদ ২০২৪-২৫ৰ বঁটা বিতৰণি অনুষ্ঠান আজি নতুন দিল্লীত অনুষ্ঠিত হ'ব।

*আৰু*

৫। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত কালি নিশা এখন খেলত স্পেইনে পৰ্টুগালক পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।০০০০

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দ্বিপাক্ষিক সম্পৰ্ক অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে ইণ্ডোনেছিয়াত কেবাখনো উচ্চ পৰ্যায়ৰ বৈঠকত অংশগ্ৰহণ কৰিব। দিনটোৰ আৰম্ভণিতে পুৱা ১০:৩০ বজাত নৰেন্দ্ৰ মোডীক আনুষ্ঠানিকভাৱে আদৰণি জনোৱা হ'ব। প্ৰধানমন্ত্ৰী মোডী আৰু ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি প্ৰব'ও ছুবিয়ানটোৱে প্ৰতিনিধি পৰ্যায়ৰ আলোচনাত অংশগ্ৰহণৰ পূৰ্বে দেশদুখনৰ দ্বিপাক্ষিক সম্পৰ্কৰ পৰ্যালোচনা কৰিব আৰু মূল খণ্ডসমূহৰ মাজত সহযোগিতা অধিক শক্তিশালী কৰাৰ উপায় অন্বেষণ কৰিব। পাৰস্পৰিক স্বাৰ্থৰ ক্ষেত্ৰত সহযোগিতা বৃদ্ধিৰ লক্ষ্যৰে দেশ দুখনে বুজাবুজিৰ চুক্তিত শ্বাক্ষৰ কৰিব। প্ৰধানমন্ত্ৰী মোদীৰ সন্মানত ৰাষ্ট্ৰপতি প্ৰব'ও ছুবিয়ানটোৱে আয়োজন কৰা ৰাজ্যিক ভোজৰ জৰিয়তে দিনজোৰা কাৰ্যসূচীৰ সামৰণি পৰিব। ইয়াৰ পিছত প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰবাসী ভাৰতীয়সকলৰ সৈতে মত বিনিময় কৰিব। এই ভ্ৰমণে ভাৰত-ইণ্ডোনেছিয়াৰ সৰ্বাংগীন কৌশলগত অংশীদাৰিত্ব আৰু অধিক গভীৰ কৰি তুলিব আৰু দুয়োখন দেশৰ মাজত দীৰ্ঘদিনীয়া বন্ধুত্বক অধিক শক্তিশালী কৰিব বুলি আশা কৰা হৈছে।

০০০০

ভাৰতৰ চামৰা আৰু জোতা-চেণ্ডেল খণ্ডই বছৰি চাৰি দশমিক পাঁচ বিলিয়ন ডলাৰৰ সামগ্ৰী ৰপ্তানি কৰে। এই উদ্যোগখণ্ডৰ জৰিয়তে ব্ৰিটেইন, ওমান আৰু সংযুক্ত আৰব আমীৰি ৰাষ্ট্ৰৰ সৈতে কৰা মুক্ত বাণিজ্য চুক্তিৰ সম্প্ৰসাৰিত নেটৱৰ্কৰ দ্বাৰা ভাৰত লাভবান হ'ব। নতুন দিল্লীত কালি অনুষ্ঠিত কাউন্সিল ফৰ লেডাৰ এক্সপোৰ্টছ এক্সিলেঞ্চ এৱাৰ্ড প্ৰদান অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী পীয়ুষ গোৱেলে এই কথা প্ৰকাশ কৰে। মন্ত্ৰী শ্ৰী গোৱেলে কয়, যে চামৰা আৰু জোতা খণ্ডই ভাৰতীয় অৰ্থনীতিত মূল অৰিহণা যোগাই আহিছে আৰু এই উদ্যোগটোক বিশ্বব্যাপি প্ৰতিযোগিতামূলক ক্ষেত্ৰসমূহত শক্তিশালী কৰাৰ উদ্দেশ্যে ইয়াৰ গুণগত মান, বহন ক্ষমতা আৰু উদ্ভাৱনৰ ক্ষেত্ৰত গুৰুত্ব দিয়াৰ প্ৰয়োজনীয়তা আছে। তেওঁ অংশীদাৰসকলক অনাগত সময়ত আন্তঃৰাষ্ট্ৰীয় প্ৰদৰ্শনীসমূহৰ সদব্যৱহাৰ কৰিবলৈ আৰু বিদেশত ইয়াৰ গুডাম তথা বিপণন নেটৱৰ্ক স্থাপন কৰি বিশ্বজোৰা ব্ৰেণ্ড গঢ়ি তুলিবলৈ আহ্বান জনায়। উন্নত উৎপাদন আৰ্হিৰ বাবে নেচনেল ইনষ্টিটিউট অব ডিজাইনৰ সৈতে সহযোগিতা কৰাত গুৰুত্ব আৰোপ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে কৃত্ৰিম বুদ্ধিমত্তাই পৰাম্পৰাগত ভাৰতীয় আৰ্হিসমূহ পুনৰুজ্জীৱিত কৰাত সহায় কৰাৰ লগতে নতুন কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিব পৰাৰ সম্পূৰ্ণ সম্ভাৱনা আছে।

শিক্ষাবিদ তথা জাতিয়তাবাদী ড০ শ্যামাপ্ৰসাদ মুখাৰ্জীৰ ১২৫ বছৰীয়া জয়ন্তী উপলক্ষে কালিৰ দিনটোক বিশেষ বুলিও কেন্দ্ৰীয় মন্ত্ৰী শ্ৰী গোৱেলে অভিহিত কৰে। তেওঁ কয়, যে ড০ মুখাৰ্জীক তেওঁৰ নৈতিকতা আৰু আদৰ্শৰ বাবে পৰিচিত এগৰাকী ৰাষ্ট্ৰীয় পৰ্যায়ৰ নেতা।

০০০০

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰ্যালয়ৰ উদ্যোগত কালি নতুন দিল্লীত বিশ্ব প্ৰাণীৰোগ দিৱস উপলক্ষে এই ৰোগৰ প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণৰ বাবে ৰাষ্ট্ৰীয় কাৰ্য পৰিকল্পনা সন্দৰ্ভত এখন ৰাষ্ট্ৰীয় বহু অংশীদাৰিত্ব পৰামৰ্শ অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত মানৱ স্বাস্থ্য, পশু স্বাস্থ্য, বন্যপ্ৰাণী, পৰিৱেশ, শৈক্ষিক আৰু উন্নয়নমূলক খণ্ডৰ প্ৰতিনিধিসকলৰ অংশগ্ৰহণেৰে প্ৰাণী ৰোগৰ প্ৰাদুৰ্ভাবৰ পৰা দেশক ৰক্ষা কৰাৰ উদ্দেশ্যে এক স্বাস্থ্য প্ৰয়াসৰ আয়োজন কৰা হয়।

এই অনুষ্ঠানত অংশগ্ৰহণ কৰি স্বাস্থ্য মন্ত্ৰ্যালয়ৰ অতিৰিক্ত সচিব ড০ ৰাকেশ গুপ্তাই কয়, যে প্ৰাণী ৰোগে বিশ্বৰ লগতে ভাৰততো জনস্বাস্থ্য, জীৱন-জন্তুৰ স্বাস্থ্য আৰু অৰ্থনৈতিক প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। তেওঁ কয়, যে চৰকাৰে এই ৰোগ প্ৰতিৰোধৰ বাবে বিভিন্ন খণ্ডৰ সমন্বয় শক্তিশলী কৰাৰ লগতে গৱেষণাগাৰ, কৰ্মশক্তিৰে সামৰ্থ বৃদ্ধি আৰু ডিজিটেল উদ্ভাৱনৰ চেষ্টা চলাই আহিছে। তেওঁ লগতে কয়, যে প্ৰস্তাৱিত ৰাষ্ট্ৰীয় কাৰ্যপৰিকল্পনাই এই ক্ষেত্ৰত বিশেষকৈ প্ৰশাসন, প্ৰস্তুতি আৰু সঁহাৰি, গৱেষণা আৰু বহনক্ষম অৰ্থনীতি ব্যৱস্থাৰ পৰিকাঠামো গঢ়ি তুলি ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহক এই ৰোগৰ বিৰুদ্ধে প্ৰতিৰোধ গঢ়ি তোলাৰ বাবে সহায় কৰি অহা হৈছে।

অনুষ্ঠানৰ আৰম্ভণি সত্ৰত প্ৰতিনিধিসকলে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ জৰিয়তে প্ৰাণী ৰোগ প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণৰ বাবে এটা শিকন সমল পেকেজ মুকলি কৰে। মন্ত্ৰ্যালয়ে কয়, যে এই পদক্ষেপে ৰাষ্ট্ৰীয় স্বাস্থ্য সুৰক্ষা শক্তিশালী কৰাৰ লগতে ভৱিষ্যৎৰ জনস্বাস্থ্যৰ বাবে প্ৰস্তুতিৰ উন্নয়ন আৰু প্ৰাণী ৰোগজনিত সংক্ৰামক ৰোগসমূহ প্ৰতিৰোধ আৰু নিয়তন্ত্ৰণৰ ক্ষেত্ৰত অৰিহণা আগবঢ়াব।

০০০০

কেন্দ্ৰীয় সমবায় মন্ত্ৰী অমিত শ্বাহে কয় যে বিগত পাঁচ বছৰত সমবায় খণ্ডৰ সৈতে জড়িত প্ৰায় ৩০ কোটি লোকৰ জীৱনত সহযোগিতা মন্ত্ৰালয়ে নতুন শক্তিৰ সঞ্চাৰ কৰিছে। নতুন দিল্লীত সহযোগিতা মন্ত্ৰালয়ৰ পঞ্চম বাৰ্ষিক প্ৰতিষ্ঠা দিৱসত ভাষণ দি শ্ৰী শ্বাহে কয় যে ২০২১ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্থাপন কৰা এই মন্ত্ৰালয়ে সমবায় ব্যৱস্থাক আধুনিক, স্বচ্ছ, প্ৰযুক্তি-চালিত আৰু প্ৰতিযোগিতামূলক তন্ত্ৰলৈ ৰূপান্তৰিত কৰিছে। তেওঁ কয় যে মন্ত্ৰালয়ে সমবায় খণ্ডৰ সন্মুখত থকা মূল প্ৰত্যাহ্বানসমূহ চিনাক্ত কৰিছে আৰু এইসমূহৰ সমাধানৰ বাবে এক বিস্তৃত ৰোডমেপ প্ৰস্তুত কৰিছে। তেওঁ লগতে কয় যে ২০৪৭ চনত যেতিয়া দেশে স্বাধীনতাৰ শতবাৰ্ষিকী উদযাপন কৰিব তেতিয়া সমবায় আন্দোলনে এখন সমৃদ্ধিশালী ভাৰতৰ শক্তিশালী ভেটি হিচাপে কাম কৰিব। ২০২১ চনৰ ৬ জুলাইত মন্ত্ৰালয় গঠনৰ কথা সোঁৱৰাই শ্ৰী অমিত শ্বাহে কয় যে এই সিদ্ধান্তই সমবায় খণ্ডৰ সৈতে জড়িত লাখ লাখ লোকৰ বাবে ৭৫ বছৰীয়া অপেক্ষাৰ অন্ত পেলাইছে। তেঁও লগতে কয় যে মন্ত্ৰালয়ে সমবায় খণ্ডই দশক দশক ধৰি সন্মুখীন হোৱা অৱহেলাৰ অন্ত পেলাইছে। মন্ত্ৰালয়ৰ কৃতিত্বসমূহৰ ওপৰত আলোকপাত কৰি শ্ৰী শ্বাহে কয় যে ৩০টা খণ্ডৰ ৮লাখ ৫৮ হাজাৰৰো অধিক সমবায় সমিতি আৰু ৩২ কোটি সদস্যক সামৰি এক সংহত ডিজিটেল ডাটাবেছ সৃষ্টি কৰা হৈছে। প্ৰতিটো খণ্ডৰ শ্ৰেষ্ঠ প্ৰদৰ্শনকাৰী সমবায় সমিতিসমূহক স্বীকৃতি আৰু উৎসাহিত কৰা হ'ব বুলি ঘোষণা কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে চৰকাৰে প্ৰাথমিক কৃষি ঋণ সমিতিৰ সম্প্ৰসাৰণ কৰি সাধাৰণ সেৱা কেন্দ্ৰৰ জৰিয়তে ৩০০ৰো অধিক সেৱা আগবঢ়াব পাৰিব।

০০০০

১৭ সংখ্যক ৰাষ্ট্ৰীয় যুৱ সংসদ ২০২৪-২৫ৰ বঁটা বিতৰণি অনুষ্ঠান আজি নতুন দিল্লীত অনুষ্ঠিত হ'ব। মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ মাজত অনুষ্ঠিত এই প্ৰতিযোগিতাত কাশ্মীৰ বিশ্ববিদ্যালয়ে প্ৰথম স্থান অধিকাৰ কৰিছে। সংসদীয় পৰিক্ৰমা ৰাজ্যমন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে বিজয়ী বিশ্ববিদ্যালয়, মহাবিদ্যালয় আৰু শিক্ষাৰ্থীসকলক বঁটা বিতৰণ কৰিব। শিক্ষাৰ্থীসকলৰ মাজত গণতান্ত্ৰিক প্ৰমূল্যবোধ আৰু সংসদীয় পদ্ধতিসমূহৰ বিষয়ে সজাগতা সৃষ্টি কৰিবলৈ বিগত ২৯ বছৰ ধৰি বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহৰ মাজত সংসদীয় পৰিক্ৰমা মন্ত্ৰালয়ে এই প্ৰতিযোগিতাৰ আয়োজন কৰি আহিছে। এই প্ৰতিযোগিতাৰ শেহতীয়া সংস্কৰণত দেশৰ ৫১ খন বিশ্ববিদ্যালয়, আৰু মহাবিদ্যালয়ে অংশগ্ৰহণ কৰিছে।

০০০০

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে নেশ্যনেল হাইৱেজ লজিষ্টিক মেনেজমেণ্ট লিমিটেডৰ এখন পৰ্যালোচনা বৈঠকত সভাপতিত্ব কৰে আৰু সমগ্ৰ দেশতে বিকশিত হৈ থকা মাল্টি মডেল লজিষ্টিক পাৰ্ক, ৰ'পৱে, ইন্টাৰম'ডাল ষ্টেচন, আৰু ৱে চাইড এমিনিটিৰ প্ৰকল্প পৰ্যায়ৰ অগ্ৰগতিৰ মূল্যায়ন কৰে। বৈঠকৰ সময়ত মন্ত্ৰীগৰাকীয়ে ভৱিষ্যতৰ বাবে সংহত পৰিবহণ পৰিৱেশতন্ত্ৰ গঢ়ি তোলাৰ ক্ষেত্ৰত এই পৰিৱৰ্তনশীল পদক্ষেপসমূহৰ কৌশলগত গুৰুত্বৰ ওপৰত আলোকপাত কৰে। তেওঁ উল্লেখ কৰে যে এই প্ৰকল্পসমূহে বহুমুখী সংযোগ শক্তিশালী কৰিব, নতুন অৰ্থনৈতিক সুযোগ মুকলি কৰিব, সুষম আঞ্চলিক উন্নয়নক প্ৰসাৰিত কৰিব, আৰু পৰিৱহণ খণ্ডত ভাৰতৰ সামগ্ৰিক ক্ষমতা বৃদ্ধি কৰিব। শ্ৰী গাডকাৰীয়ে লগতে প্ৰকল্প ৰূপায়ণত প্ৰভাৱ পেলোৱা মূল প্ৰত্যাহ্বানসমূহৰ মূল্যায়ন কৰে। এই প্ৰকল্পসমূহ নিৰ্ধাৰিত সময়ত সম্পূৰ্ণ হ'লে লজিষ্টিক দক্ষতা বৃদ্ধি পোৱাৰ লগতে পৰিবহণ ব্যয় হ্ৰাস পাব, আৰু যাতায়তৰ বাবে বিশ্বমানৰ আন্তঃগাঁথনি আৰু সুবিধা উপলব্ধ হ'ব। প্ৰকল্পসমূহে বিকশিত ভাৰত আৰু আত্মনিৰ্ভৰ ভাৰতৰ দৃষ্টিভংগীক আৰু অধিক আগুৱাই নিব।

০০০০

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগীতাত কালি নিশা ডালাছ ষ্টেডিয়ামত অনুষ্ঠিত নক আউট পৰ্যায়ৰ এখন খেলত স্পেইনে পৰ্তুগালক ১-০ গ'লত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। খেলখনৰ দ্বিতীয়াৰ্ধৰ ষ্টপেজ টাইমৰ প্ৰথম মিনিটত মাইকেল মেৰিনোৱে গ'ল দি স্পেইনৰ জয় নিশ্চিত কৰে। ২০১০ চনত দক্ষিণ আফ্ৰিকাত একমাত্ৰ বিশ্বকাপ খিতাপ জয় কৰাৰ পিছত স্পেইনে প্ৰথমবাৰৰ বাবে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। দলটোৱে শুকুৰবাৰে লছ এঞ্জেলছ ষ্টেডিয়ামত আমেৰিকা বা বেলজিয়ামৰ বিৰুদ্ধে খেলিব। ইয়াৰ পূৰ্বে কালি মেক্সিকো চহৰৰ এজটেকা ষ্টেডিয়ামত মেক্সিকোৰ বিৰুদ্ধে ৩-২ গ'লত জয়লাভ কৰি ইংলেণ্ডেও কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। ৰাউণ্ড অব 16ৰ আন এখন মেচত নৰৱেৰ বিৰুদ্ধে ২-১ গ'লত পৰাজয়ৰ সন্মুখীন হোৱাৰ পিছত কালি ব্ৰাজিলৰ প্ৰবীণ খেলুৱৈ নেইমাৰ জুনিয়ৰে আন্তঃৰাষ্ট্ৰীয় ফুটবলৰ পৰা অৱসৰ লোৱাৰ কথা ঘোষণা কৰে।

০০০০

জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ উদ্যোগত আজিৰে পৰা ওড়িশাৰ ভুবনেশ্বৰত জনজাতি গৱেষণা প্ৰতিষ্ঠানসমূহ শক্তিশালীকৰণৰ লক্ষ্যৰে দুদিনীয়া ৰাষ্ট্ৰীয় কৰ্মশালাৰ আয়োজন কৰা হৈছে। কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা বিভাগৰ মন্ত্ৰী জুৱেল ওৰামে কৰ্মশালাখন উদ্বোধন কৰিব। এই কৰ্মশালাত প্ৰায় ২০০ গৰাকী অংশগ্ৰহণকাৰীয়ে ভাগ ল'ব। এই উপলক্ষে জনজাতি পৰিক্ৰমা মন্ত্ৰালয় আৰু সম্পূৰ্ণানন্দ সংস্কৃত বিশ্ববিদ্যালয়, বাৰাণসীয়ে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিব। জনজাতীয় কলা, সংস্কৃতি, ভাষা, পৰম্পৰাগত জ্ঞান আৰু দক্ষতা বিকাশৰ বাবে নিবেদিত প্ৰথমটো ডিজিটেল লাৰ্নিং প্লেটফৰ্ম ট্ৰাইবএক্স মুকলি কৰা হ'ব। সমগ্ৰ দেশৰ জনজাতীয় গৱেষণা প্ৰতিষ্ঠানসমূহৰ কাম-কাজ পৰ্যালোচনা কৰা আৰু ইয়াক উন্নত জ্ঞান প্ৰতিষ্ঠান, সাংস্কৃতিক কেন্দ্ৰ আৰু জনজাতীয় উন্নয়নৰ বাবে নীতি প্ৰস্তুতকাৰী কেন্দ্ৰলৈ ৰূপান্তৰিত কৰাটোৱেই দুদিনীয়া কৰ্মশালাখনৰ মুল উদ্দেশ্য।

০০০০

ঃঃ সমাপ্ত ঃঃ